# আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ কথা শুনিছেনে?



**যদি আপোনাৰ বীমা কোম্পানীয়ে আপোনাৰ অভিযোগৰ মীমাংসা কৰা নাই, তেন্তে অনুগ্ৰহ কৰি সম্পৰ্ক কৰক**

**আইআৰডিএ গ্ৰীভেঞ্চ কল চেন্টাৰ**

**ট'ল ফ্ৰী নং. : 155255**

আপোনাৰ অভিযোগ পঞ্জীয়ন কৰিবলৈ তথা ইয়াৰ স্থিতিৰ বিষয়ে জানিবলৈ আপুনি complaints@irda.gov.inত ইমেইল কৰিব পাৰে।

জনহিতাৰ্থে প্ৰচাৰিত

বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী
INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

বীমা বৰ্দ্ধন, বীমা গ্ৰাহক সুৰক্ষা

www.irda.gov.in

বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী
INSURANCE REGULATORY AND DEVELOPMENT AUTHORITY

Bima Bemisaal



# স্বাস্থ্য বীমাৰ ওপৰত হাতপুথি

**সন্নিবিষ্ট বিষয়বস্তু :**


1. এই হাতপুথিৰ বিষয়ে 1

2. স্বাস্থ্য বীমা 2

3. সঘনাই সোধা প্ৰশ্ন 6

4. পলিচি ধাৰকক সেৱা দিবলগীয়া নিৰ্দ্ধাৰিত সময়সীমা 14

5. যদি আপোনাৰ কোনো অভিযোগ আছে 15


## 1. এই হাতপুথিৰ বিষয়ে

এহ হাতপুথিখনক বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকাৰী (আইআৰডিএ) ৰ দ্বাৰা **স্বাস্থ্য বীমাৰ** ওপৰত এক মাৰ্গদৰ্শকৰ ৰূপ দিয়া হৈছে আৰু ই কেৱল সাধাৰণ তথ্য দিয়ে। ইয়াত দিয়া যি কোনো তথ্যই এটা বীমা পলিচিৰ নিয়ম আৰু চৰ্ত বদলি কৰিব বা চেৰাই যাব নোৱাৰে।

পলিচিৰ বিষয়ে বিশেষ তথ্যৰ বাবে তথা কোনো অতিৰিক্ত জাননীৰ বাবে অনুগ্ৰহ কৰি কোনো অনুজ্ঞাপত্ৰ পোৱা এজেন্ট বা ব্ৰোকাৰ বা আইআৰডিএ ৰ সৈতে পঞ্জীকৃত কোনো বীমা কোম্পানীৰ লগত যোগাযোগ কৰক।

## 2. স্বাস্থ্য বীমা

**'স্বাস্থ্য বীমা'** এনে এক ধৰণৰ বীমা, যিয়ে আপোনাৰ প্ৰধানকৈ চিকিৎসা ব্যয়ৰ ক্ষতিপূৰণ কৰে। অন্য পলিচিৰ নিচিনাকৈ স্বাস্থ্য বীমা পলিচি বীমাকৰ্তা আৰু বীমাকৃত ব্যক্তি / সমূহৰ মাজত এক চুক্তিনামা য'ত বীমাকৰ্তাই বিশেষ '' প্ৰিমিয়ামৰ'' ওপৰত নিৰ্ধাৰিত স্বাস্থ্য বীমাৰ সুবিধাসমূহ প্ৰদান কৰিবলৈ সন্মতি দিয়ে যিটো পলিচিত বৰ্ণনা কৰা নিয়ম আৰু চৰ্তৰ অধীন।

- **স্বাস্থ্য বীমা পলিচিৰ অন্তৰ্গত সুবিধা সমূহ কি কি?**
  স্বাস্থ্য বীমা পলিচি সাধাৰণতে প্ৰত্যেক বীমাকৃত ব্যক্তিৰ সন্দৰ্ভত সচৰাচৰ নিম্নলিখিত সমূহৰ যথোচিত আৰু আৱশ্যকীয় ব্যয় কভাৰ কৰে যি বীমা কৰা মুঠ পৰিমাণৰ অধীন (এটা পলিচি অৱধিৰ সময়ত সকলো দাবীৰ বাবে)
  ক) কোঠালি, আৱাসৰ ব্যয়
  খ) পৰিচৰ্য্যা ব্যয়
  গ) অস্ত্ৰোপচাৰক, এনেস্থেটিষ্ট, চিকিৎসক, পৰামৰ্শদাতা, বিশেজ্ঞৰ মাচুল
  ঘ) এনেস্থেচিয়া, তেজ, অক্সিজেন, অস্ত্ৰোপচাৰ কক্ষৰ মূল্য, অস্ত্ৰোপচাৰৰ আহিলা, ঔষধ, পৰীক্ষা-নিৰীক্ষাৰ বাবে ব্যৱহৃত হোৱা সামগ্ৰী, এক্স-ৰে, ডায়েলিচিচ, কেমোথেৰাপি, ৰেডিঅ' থেৰাপি, পেচমেকাৰৰ ব্যয়, কৃত্ৰিম অঙ্গ-প্ৰত্যঙ্গৰ ব্যয় বা অঙ্গ-প্ৰত্যঙ্গ আৰু অনুৰূপ ব্যয়সমূহ
- **বীমাৰ পৰিমাণ**
  প্ৰদত্ত বীমা কৰা পৰিমাণ কোনো ব্যক্তিৰ ওপৰত বা সমগ্ৰ পৰিয়ালৰ বাবে ফ্লোটৰ (প্লাৱিত) ৰ ভিত্তিত হ'ব পাৰে।
- **কিউমুলেটিভ (সঞ্চিত) ব'নাচ (চিবি)**
  নবীকৰণৰ সময়ত নিৰ্দিষ্ট পৰিমাণৰ যদিহে ইতিমধ্যে শেষ



হোৱা বছৰটোত কোনো দাবী নেথাকে। এই সঞ্চিত ব'নাচ পূৰ্বৰ বীমাৰাশি কোনো প্ৰিমিয়াম নোলোৱাকৈ 5 শতাংশৰ পৰা 50 শতাংশ পৰ্যন্ত বৃদ্ধি কৰা হয়। অৱশ্যে কোনো এটা বছৰত দাবী থাকিলে পৰৱৰ্তী নবীকৰণৰ বছৰত 10 শতাংশলৈকে হ্ৰাস কৰা হয়।

- **স্বাস্থ্য বীমা পৰীক্ষাৰ ব্যয়**
  স্বাস্থ্য বীমা পলিচিত স্বাস্থ্য পৰীক্ষা ব্যয়ৰ প্ৰত্যাবৰ্তিৰ ব্যৱস্থাও হ'ব পাৰে। এইটো বুজিবৰ বাবে আপোনাৰ পলিচি মনোযোগেৰে পঢ়ক।
- **চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ নূন্যতম অৱধি**
  এই বীমাৰ অধীনত ক্ষতিপূৰণ পাবলৈ হ'লে বীমাকৃত ব্যক্তিয়ে হস্পিতেলত অতি কমেও 24 ঘন্টা সময় ভৰ্তি হ'ব লাগিব। অৱশ্যে এই সময়সীমা দুৰ্ঘটনা আৰু কেইটামান নিৰ্দিষ্ট বেমাৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। সবিশেষ জানিবৰ...
- **চিকিৎসালয়ত ভৰ্ত্তিৰ পূৰ্ব আৰু পৰৱৰ্তী ব্যয়**
  চিকিৎসালয়ত ভৰ্ত্তিৰ পূৰ্ব আৰু চিকিৎসালয়ৰ পৰা ওলাই যোৱাৰ পৰৱৰ্তী নিৰ্দিষ্ট কিছুদিনলৈ হোৱা ব্যয় ক্ষতিপূৰণ হিচাবে বিবেচনা কৰা হয় যদিহে এই ব্যয় উক্ত বেমাৰ সম্বন্ধীয় হয়। এই সম্পৰ্কত নিৰ্দিষ্ট ব্যৱস্থাৰ বিষয়ে জানি লওক।
- **নগদ ধনবিহীন সুবিধা**
  দেশৰ বিভিন্ন ঠাইৰ বিভিন্ন হস্পিতেলৰ লগত বীমা কোম্পানীৰ এক তালিকাভুক্ত নেটৱৰ্ক ব্যৱস্থা আছে। এই নেটৱৰ্ক হস্পিতেলত কোনো বীমাকৃত ব্যক্তি চিকিৎসাধীন হ'লে বীমাকৃত ব্যক্তিয়ে চিকিৎসা ব্যয় পৰিশোধ কৰিব নেলাগে। বীমা কোম্পানীয়ে নিজৰ থাৰ্ড পাৰ্টি এডমিনিষ্ট্ৰেটৰ (টিপিএ) (তৃতীয় পক্ষ প্ৰশাসক) ৰ জড়িয়তে চিকিৎসালয়ক প্ৰত্যক্ষভাবে পৰিশোধ কৰাৰ ব্যৱস্থা কৰে। পলিচি দ্বাৰা

নিৰ্দিষ্ট উচ্চ-সীমাৰ ওপৰত হোৱা ব্যয় বা পলিচি অনুসৰি বহিৰ্ভূত ব্যয় বীমাকৃত ব্যক্তিয়ে প্ৰত্যক্ষভাবে চিকিৎসালয়ত কৰিবলগীয়া হয়। বীমাকৃত ব্যক্তিয়ে এক তালিকাভুক্ত নোহোৱা চিকিৎসালয়ত চিকিৎসা ল'লে চিকিৎসা ব্যয় তেওঁ নিজে পৰিশোধ কৰিব লাগিব আৰু পিছত তেওঁ বীমা কোম্পানীৰ পৰা প্ৰত্যাবৰ্ত্তিৰ বাবে আবেদন কৰিব পাৰে। ইয়াত কোনো নগদ ধনবিহীন সুবিধা প্ৰযোজ্য নহয়।

- **অতিৰিক্ত লাভ লাভসমূহ আৰু অন্য অকলশৰীয়া পলিচিসমূহ**

  বীমা কোম্পানী সমূহে ''এড-অন'' বা ৰাইডাৰ্চৰ ৰূপত অন্য বিভিন্ন অফাৰ্চ প্ৰদান কৰে। এনেকুৱা অকলশৰীয়া পলিচি আছে যি ''হস্পিতেল কেশ্'', ''ক্ৰিটিকেল ইলনেছ বেনিফিট'' ''চাৰ্জিকেল এক্সপেন্স বেনিফিট'' ইত্যাদি লাভ দিবলৈ বনোৱা হয়। এই পলিচিসমূহ হয় বেলেগকৈ নাইবা আকৌ চিকিৎসালয়ত ভৰ্ত্তি হোৱা পলিচিৰ সৈতে লব পৰা যায়। কিছুমান কোম্পানীয়ে মূল স্বাস্থ্য পলিচিত প্ৰাপ্ত ব্য সীমাৰ বাহিৰেও প্ৰকৃত ব্যয় সম্পূৰ্ণ কৰিবৰ বাবে টপ-আপ পলিচিসমূহৰ ৰূপত উৎপাদন আনিছে।

- **বহিৰ্ভূত সুবিধা**

  সাধাৰণতে নিম্নলিখিত সমূহ স্বাস্থ্য পলিচিত অন্তৰ্গত অন্তৰ্ভুক্ত কৰা হোৱা নাই।

  ক) সকলো পূৰ্ব বিদ্যমান ৰোগ (সকলো অনা-জীৱন আৰু স্বাস্থ্য বীমা কোম্পানী সমূহৰ দ্বাৰা পূৰ্ব বিদ্যমান ৰোগ চৰ্ত একেধৰণে বৰ্ণনা কৰা হৈছে)

  খ) প্ৰথম বছৰৰ পলিচিত প্ৰথম 30 দিনত অসুস্থতা / ৰোগৰ বাবে ক্ষতিপূৰণ। এইটো অৱশ্যে দুৰ্ঘটনাবশত: আঘাতৰ দাবীৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়।





গ) প্ৰথম বছৰৰ পলিচিত সময়ত চকুত ছানি পৰা ৰোগ, বেনাইন প্ৰোষ্টেটিক হিষ্ট ৰেক্ৰোমি পাৰট্ৰফি, হিষ্ট ৰেক্টোমি মেনোৰেজিয়া বা ফিব্ৰোমায়োমাৰ বাবে, হাৰ্নিয়া, হাইড্ৰচিল,জন্মগত আভ্যন্তৰিক ৰোগ, পায়ুত ভগন্দৰ (ফিষ্টুলা) ৰোগ, অৰ্শ ৰোগ, চাইনাচাইটিচ আৰু সম্বন্ধীয় বেমেজালি।

ঘ) চুন্নত কৰা যেতিয়ালৈকে ৰোগৰ চিকিৎসাৰ কাৰণ নহয়

ঙ) চচ্‌মা, কনটেক্ট লেন্স, শ্ৰৱণ যন্ত্ৰৰ ব্যয়

চ) দাঁতৰ চিকিৎসা/শল্যচিকিৎসা, যেতিয়ালৈকে চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ আৱশ্যক নহয়

ছ) স্বাস্থ্য লাভ, সাধাৰণ অক্ষমতা, জন্মগত বহিৰ্ভূত খুঁত, ভি.ডি. উদ্দেশ্য প্ৰণোদিত আত্ম-ঘাত, নিচাগ্ৰস্ত ঔষধ/মাদক দ্ৰব্য ব্যৱহাৰ, এইড্‌চ নিদানৰ ব্যয়, এক্স-ৰে বা পৰীক্ষাগাৰ যি চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ আৱশ্যকতাজনক ৰোগৰ অনুৰূপ নহয়

জ) গৰ্ভাৱস্থা বা প্ৰসৱ সম্বন্ধীয় চিকিৎসা য'ত চিজেৰিয়ান শাখা অন্তৰ্ভুক্ত

ঝ) প্ৰাকৃতিক চিকিৎসা

ভিন্ন স্বাস্থ্যবীমা পলিচিৰ বহিৰ্ভূত সুবিধাবোৰ কোম্পানী অনুসৰি ভিন্ন হ'ব পাৰে অনুসৰি ভিন্ন হ'ব পাৰে। গ্ৰুপ পলিচি সমূহত অতিৰিক্ত প্ৰিমিয়াম আদায়ৰ উল্লেখিত বভিৰ্ভূত সুবিধাবোৰ মাফ / গুচোৱা সম্ভৱ হ'ব পাৰে।

- **কোনো হ্ৰস্ব অৱধি পলিচি নাই**

  স্বাস্থ্য বীমা পলিচিসমূহ এবছৰৰ কম অৱধিৰ বাবে বলবৎ কৰা নহয়।

## 3. স্বাস্থ্য বীমাৰ ওপৰত সচৰাচৰ সোধা প্ৰশ্ন

**প্ৰ : স্বাস্থ্য বীমা কি?**

উ : **স্বাস্থ্য বীমা এক প্ৰকাৰৰ বীমা যি আপোনাৰ চিকিৎসাৰ ব্যয়ৰ ক্ষতিপূৰণ দিয়ে।** স্বাস্থ্য বীমা এজন বীমাকৰ্তা আৰু ব্যক্তি / সমূহৰ মাজৰ চুক্তিনামা য'ত বীমাকৰ্তাই এক বিশেষ স্বাস্থ্য বীমাৰ অন্তৰ্গত সুবিধা প্ৰদান কৰাৰ বাবে সন্মতি দিয়ে।

**প্ৰ : স্বাস্থ্য বীমাৰ কি স্বৰূপ কি কি ৰূপত পোৱা যায়?**

উ : ভাৰতত থকা স্বাস্থ্য বীমা পলিচি সমূহৰ সকলোতকৈ সাধাৰণ স্বৰূপ হৈছে চিকিৎসালয়ত হোৱা ব্যয়ৰ ক্ষতিপূৰণ দিয়া যদিও বৰ্তমান বীমাকৃত ব্যক্তিৰ প্ৰয়োজন আৰু পছন্দৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন পৰিসৰৰ সুবিধা থকা স্বাস্থ্যবীমা আঁচনি আছে।। স্বাস্থ্য বীমাকৰ্তাই সচৰাচৰ হয় চিকিৎসালয়ক প্ৰত্যক্ষভাবে ব্যয় (নগদ ধনবিহীন সুবিধা) প্ৰদান কৰে বা ৰোগ  আৰু আঘাতৰ লগত জড়িত ব্যয় প্ৰত্যাবৰ্ত্তি কৰে বা ৰোগ হ'লে এক নিৰ্ধাৰিত লাভ আদায় দিয়ে। স্বাস্থ্যবীমা আঁচনিৰ ধৰণ আৰু বীমা ৰাশিৰ পৰিমাণ নিৰ্দিষ্ট আঁচনিৰ দ্বাৰা আগতীয়াকৈ ঠিক কৰি ৰখা হয়।

**প্ৰ : স্বাস্থ্য বীমা কিয় গুৰুত্বপূৰ্ণ?**

উ : **আমাৰ সকলোকে নিজৰ প্ৰয়োজন অনুসৰি আমাৰ পৰিয়ালৰ সকলো সদস্যৰ বাবে স্বাস্থ্য বীমা ক্ৰয় কৰা উচিত।** স্বাস্থ্য বীমা ক্ৰয় কৰিলে আমি চিকিৎসালয়ত ভৰ্ত্তিৰ বাবে হঠাৎ অপ্ৰত্যাশিত ব্যয়ৰ পৰা সুৰক্ষিত হও (বা কভাৰ কৰা স্বাস্থ্য ঘটনা, যেনে সংকটজনক ৰোগ) যি অন্যথা পৰিয়াল সঞ্চয়ত ব্যাঘাত জন্মাব পাৰে বা যাৰ পৰা ঋণো লবলগীয়া হ'ব পাৰে।

ইয়াৰ পৰা কোনো বিভিন্ন স্বাস্থ্য বিপদ আশংকাৰ প্ৰতি





সংবেদনশীল হয় আৰু কোনো আগ জাননী নোহোৱাকৈ চিকিৎসাৰ জৰুৰীকালীন স্থিতিৰ অৱস্থা হ'ব পাৰে । স্বাস্থ্য যত্নৰ ব্যয় বৃদ্ধি হ'ব ধৰিছে আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ সৈতে নতুন প্ৰক্ৰিয়া তথা বিশেষ ফলদায়ক ঔষধেও স্বাস্থ্য যত্নৰ ব্যয় বৃদ্ধি কৰিছে। চিকিৎসাৰ এই উচ্চ ব্যয় বহুতৰে সামৰ্থ্যৰ বাহিৰত। স্বাস্থ্য বীমাৰ সুৰক্ষা গ্ৰহণ কৰিলে বহুখিনি সকাহ পাব পাৰি।

**প্ৰ : কেনেকুৱা প্ৰকাৰৰ স্বাস্থ্য বীমা আঁচনি আছে?**

উ : স্বাস্থ্য বীমা পলিচিসমূহ, ক্ষুদ্ৰ–বীমা পলিচিসমূহত টকা 5000 ৰ বীমাৰ পৰিমাণৰ পৰা ধৰি ক্ৰিটিকেল ইলনেছ প্লেনত  টকা 50 লাখ বা অধিক বীমা লৈকে প্ৰাপ্ত ব্য। অধিকাংশ বীমাকৰ্তাই 1 লাখৰ পৰা 5 লাখ পৰ্যন্তৰ বীমাৰ পৰিমাণৰ পলিচিসমূহ প্ৰদান কৰে। কিয়নো বীমাকৰ্তাৰ দ্বাৰা দিয়া কোঠালিৰ ভাৰা আৰু অন্য ব্যয় বাচি লোৱা বীমা কৰা পৰিমাণৰ লগত সম্পৰ্ক থাকে। সেইকাৰণে আৰম্ভনিৰ সময়ৰ পৰা পৰ্য্যাপ্ত সুবিধা ল'বলৈ পৰামৰ্শ দিয়া হয়। বিশেষকৈ কিয়নো দাবী উত্থাপনৰ পিছত বীমাৰ পৰিমাণ বৃদ্ধি কৰা হয়তো সহজ নহয়। লগতে অধিকাংশ অনা–জীৱন বীমা কোম্পানীসমূহ এবছৰৰ অৱধিৰ বাবে স্বাস্থ্য বীমা পলিচিসমূহ প্ৰদান কৰে, কিন্তু এনেকুৱা পলিচিসমূহো আছে যি দুই, তিনি, চাৰি আৰু পাঁচ বছৰৰ বাবেও দিয়া যায়। জীৱন বীমা কোম্পানীৰ ওচৰত আৰু অধিক দীৰ্ঘ অৱধিৰ আঁচনিও থাকিব পাৰে।

**হস্পিতেলাইজেচন পলিচি** চিকিৎসালয়ত ভৰ্ত্তি হ'বলৈ চিকিৎসাৰ প্ৰকৃত ব্যয়ক পলিচি অৱধিৰ সময়ত সম্পূৰ্ণ বা আংশিকভাবে কভাৰ কৰে। চিকিৎসালয়ত ভৰ্ত্তিৰ বিভিন্ন ব্যয়ৰ বাবে এইটো প্ৰযোজ্য কভাৰেজৰ ব্যাপক ৰূপ য'ত

কিছু নির্ধাৰিত অৱধিৰ বাবে চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ পূৰ্ব তথা পৰৱৰ্তী ব্যয় অন্তৰ্ভুক্ত। এনেকুৱা পলিচিসমূহ ব্যক্তিগত বীমা কৰা পৰিমাণৰ আধাৰত বা পৰিয়াল ফ্লোটৰ আধাৰত প্ৰাপ্ত ব্য হ'ব পাৰে য'ত বীমা কৰা পৰিমাণ পৰিয়ালৰ সদস্যবৰ্গৰ মাজত ভাগ হয়।

এক অন্য প্ৰকাৰৰ আঁচনি, **হস্পিতেল ডেইলী কেশ্ব বেনিফিট পলিচিয়ে** চিকিৎসালয়ত ভৰ্ত্তিৰ প্ৰত্যেক দিনৰ বাবে এক নিৰ্ধাৰিত দৈনিক বীমা কৰা পৰিমাণ প্ৰদান কৰে। আইচিইউ ত ভৰ্ত্তি হোৱাৰ ক্ষেত্ৰত বা বিশেষ ৰোগ বা আঘাতৰ বাবে উচ্চহাৰৰ দৈনিক ভাট্টা লাভৰ বাবেও সুবিধা থাকিব পাৰে।

**ক্ৰিটিকেল ইলনেছ বেনিফিট পলিচিয়ে** কোনো বিশেষ ৰোগৰ নিদানৰ ক্ষেত্ৰত বা কোনো নিৰ্ধাৰিত প্ৰক্ৰিয়া কৰোৱাৰ ওপৰত বীমাকৃত ব্যক্তিক এক নিৰ্ধাৰিত পৰিমাণ প্ৰদান কৰে। এই পৰিমাণ সংকটজনক ৰোগৰ বিভিন্ন প্ৰত্যক্ষ আৰু পৰোক্ষ আৰ্থিক পৰিণাম প্ৰশমিত কৰাত সহায় কৰে। সচৰাচৰ, এবাৰ একেবাৰতে পৰিমাণ আদায় দিলে, আঁচনি সমাপ্ত হয়।

এনেকুৱা অন্য প্ৰকাৰৰ আঁচনি আছে, যি নিৰ্ধাৰিত শল্য চিকিৎসা, (**চাৰ্জিকেল কেশ্ব বেনিফিট**) কৰোৱাৰ ওপৰত একেবাৰতে ধন লাভ দিয়ে আৰু অন্য উৎপাদন জ্যেষ্ঠ নাগৰিকৰ দৰে বিশেষ লক্ষ্য সমূহৰ প্ৰয়োজনীয়তা পূৰ্ণ কৰে।

**প্ৰ :** **নগদ ধনবিহীন সুবিধা কি?**

**উ :** বীমা কোম্পানীসমূহে নিজৰ নেটৱৰ্কৰ ভাগৰ ৰূপত সমগ্ৰ দেশৰ বিভিন্ন চিকিৎসালয়ৰ সৈতে গোট-বন্ধন কৰে। নগদ ধনবিহীন সুবিধা প্ৰদান কৰা স্বাস্থ্য বীমা পলিচিৰ



অধীনত পলিচিধাৰকে চিকিৎসালয়ৰ বিলৰ পৰিশোধ নকৰাকৈ কোনো নেটৱৰ্ক চিকিৎসালয়ত চিকিৎসা ল'ব পাৰে কিয়নো বীমা কোম্পানীৰ ফালৰ পৰা থাৰ্ড পাৰ্টি এডমিনিষ্ট্ৰে টৰ (তৃতীয় পক্ষ প্ৰশাসক) ৰ দ্বাৰা চিকিৎসালয়ক পোনপটিয়াকৈ পৰিশোধ কৰা হয়। যি কি নহওঁক, বীমা পলিচিৰ দ্বাৰা অনুমতিৰ সীমা বা উচ্চ সীমাৰ বাহিৰত হোৱা ব্যয় বা পলিচিৰ অধীনত অন্তৰ্গত নোহোৱা নকৰা ব্যয় আপোনাৰ দ্বাৰা পোনপটিয়াকৈ চিকিৎসালয়ক পৰিশোধ কৰা হয়।

তথাপি যদি আপুনি এনেকুৱা চিকিৎসালয়ত চিকিৎসা লয় যি নেটৱৰ্কত নাই তেতিয়া নগদ ধনবিহীন সুবিধা প্ৰাপ্তি নহয়।

**প্ৰ :** **যদি মই স্বাস্থ্য বীমা পলিচি গ্ৰহণ কৰোতে তেতিয়া মই কোনটো কৰ ৰেহাইৰ সুবিধা পায়?**

**উ :** **স্বাস্থ্য বীমা অতিৰিক্ত উদ্‌গনিৰ ৰূপত আকৰ্ষণীয় কৰ লাভৰ** সৈতে পোৱা যায়। আয়কৰ আইনৰ এক বিশেষ শাখাত যি স্বাস্থ্য বীমাৰ বাবে কৰ লাভ প্ৰদান কৰে, এই শাখা ৪০ ডি আৰু এইটো সেই শাখা ৪০ চিৰ পৰা পৃথক হয় যি জীৱন বীমাৰ বাবে প্ৰযোজ্য হয় য'ত বিনিয়োগ / ব্যয়ৰ অন্য স্বৰূপো হ্ৰাসৰ পাত্ৰ হয়।

বৰ্তমানে, স্বাস্থ্য বীমা ক্ৰয়কৰ্তাই যি নগদ ধনৰ বাহিৰে অন্য পৰিশোধৰ প্ৰকাৰেৰে পলিচি ক্ৰয় কৰিছে তেওঁলোকে নিজৰ, স্বামী বা স্ত্ৰী আৰু আশ্ৰিত সন্তানৰ বাবে স্বাস্থ্য বীমাৰ প্ৰিমিয়ামৰ হেতুকে নিজৰ কৰ যোগ্য আয়ৰ পৰা 15,000 পৰ্য্যন্ত বাৰ্ষিক কৰ্ত্তনৰ সুবিধা ল'ব পাৰে। জ্যেষ্ঠ নাগৰিকৰ বাবে এই কৰ্ত্তনৰ পৰিমাণ উচ্চতৰ হয় ইয়াৰ পৰিমাণ 20,000। ইয়াৰ উপৰিও, অৰ্থনৈতিক বৰ্ষ 2008-09 ৰ

পৰা এক অতিৰিক্ত টকা 15,000 পিতৃ-মাতৃৰ বাবে আদায় দিয়া স্বাস্থ্য বীমা প্ৰিমিয়ামত কৰ্তন হিচাপে পোৱা যায়, যিটো পুনৰ টকা 20,000 হয় যদি পিতৃ-মাতৃ জ্যেষ্ঠ নাগৰিক হয়।

**প্ৰ: স্বাস্থ্য বীমা প্ৰিমিয়ামক প্ৰভাৱিত কৰা কাৰক কি?**

উ: বয়স হৈছে প্ৰিমিয়াম নিৰ্ধাৰিত কৰা এক মুখ্য কাৰক। আপোনাৰ বয়স যিমানেই বেছি হয়, প্ৰিমিয়ামৰ পৰিমাণো সিমানেই উচ্চ হ'ব কিয়নো আপুনি ৰোগৰ প্ৰতি অধিক সংবেদনশীল হ'ব। পূৰ্বৰ চিকিৎসীয় ইতিবৃত্ত প্ৰিমিয়াম নিৰ্ধাৰিত কৰা অন্য এক মুখ্য কাৰণ৷ যদি কোনো পূৰ্বৰ ৰোগৰ চিকিৎসীয় ইতিবৃত্ত হাতত নাই তেন্তে প্ৰিমিয়াম আপোনা-আপুনি কম হ'ব। দাবীমুক্ত বৰ্ষও প্ৰিমিয়ামৰ পৰিমাণ নিৰ্ধাৰণ কৰা এক কাৰক হয় কিয়নো ই নিৰ্দিষ্ট শতাংশ ৰেহাইৰ সৈতে আপোনাক লাভ দিব পাৰে। ইয়াৰ পৰা আপুনি আপোনাৰ প্ৰিমিয়াম হ্ৰাসত আপোনা-আপুনি সহায় পাব।

**প্ৰ: স্বাস্থ্য বীমা পলিচিয়ে কোনবোৰ সুবিধা অন্তৰ্গত নকৰে?**

উ: আপুনি সম্ভাৱনা / পলিচি নিশ্চয় পঢ়িব লাগে তথা বুজা উচিত যে তাৰ কোনবোৰ সুবিধা অন্তৰ্গত নহয়। সাধাৰণতে, পূৰ্ব বিদ্যমান ৰোগ (এইটো বুজিবৰ বাবে পলিচি পঢ়ক যে পূৰ্ব বিদ্যমান ৰোগৰ সংজ্ঞা কি) স্বাস্থ্য বীমা পলিচিত অন্তৰ্ভুক্ত কৰা নাই। ইয়াৰ বাহিৰেও প্ৰথম বৰ্ষৰ পলিচিত কিছুমান ৰোগ অন্তৰ্ভুক্ত নহয় আৰু প্ৰতীক্ষা অৱধিও থাকিব। কিছু মানদ অন্তৰ্ভুক্ত নহয় যেনে চচ্মা, কনটেক্ট লেন্স আৰু শ্ৰৱণ যন্ত্ৰৰ ব্যয় কভাৰ নহয়, দাঁতৰ চিকিৎসা / শল্যচিকিৎসা (চিকিৎসালয়ত ভৰ্ত্তি হোৱাৰ আৱশ্যক নহ'লে) কভাৰ নহয়। বেমাৰৰ পিছত স্বাস্থ্য লাভ, সাধাৰণ অক্ষমতা, জন্মগত বাহ্যিক খুঁত, যৌন সম্ভোগ সম্বন্ধীয় ৰোগ, উদ্দেশ্য প্ৰণোদিত আত্ম-ঘাট, নিচাযুক্ত ঔষধ / মাদকদ্ৰব্য, এইড্চ, নিদান, এক্স-ৰে, বা প্ৰয়োগশালাৰ পৰীক্ষাৰ বাবে ব্যয় যি চিকিৎসালয়ত ভৰ্ত্তিৰ বাবে উদ্যত ৰোগৰ লগত সামঞ্জস্য নাই। গৰ্ভাৱস্থা বা প্ৰসৱ সম্বন্ধীয় চিকিৎসা য'ত অন্তৰ্ভুক্ত হয় চিজেৰিয়ান শাখা, প্ৰাকৃতিক চিকিৎসা।



**প্ৰ: পলিচিৰ অধীনত দাবীৰ বাবে প্ৰতীক্ষা অৱধি আছে নে?**

উ: হয় আছে, যেতিয়া আপুনি কোনো নতুন পলিচি পায় তেতিয়া সাধাৰণতে পলিচি আৰম্ভ তাৰিখৰ পৰা 30 দিনৰ প্ৰতীক্ষা অৱধি হয় যাৰ সময়ত বীমা কোম্পানীৰ দ্বাৰা চিকিৎসালয়ত ভৰ্ত্তিৰ ব্যয় আদায় দিয়া নহয়। যি কি নহওঁক, জৰুৰীকালীন স্থিতিত কোনো দুৰ্ঘটনাৰ বাবে চিকিৎসালয়ত হ'বলগীয়া ভৰ্ত্তিৰ বাবে এইটো প্ৰযোজ্য নহয়। এই প্ৰতীক্ষা অৱধি নবীকৰণৰ অধীনত পৰৱৰ্তী পলিচিৰ বাবে প্ৰযোজ্য নহয়।

**প্ৰ: স্বাস্থ্য বীমা পলিচিত পূৰ্ব বিদ্যমান স্থিতি কি?**

উ: এইটো সেই চিকিৎসা অৱস্থা / ৰোগ হয় যি আপোনাৰ স্বাস্থ্য বীমা পলিচি লোৱাৰ আগৰ পৰা মজুত আছিল আৰু ই তাৎপৰ্য্যপূৰ্ণ কিয়নো বীমা কোম্পানীসমূহ প্ৰথম পলিচিৰ পূৰ্ব 48 মাহৰ ভিতৰত এনে পূৰ্ব বিদ্যমান স্থিতি কভাৰ নকৰে। অৰ্থাৎ পূৰ্ব বিদ্যমান স্থিতিক অবিৰত বীমা কভাৰৰ 48 মাহৰ সম্পূৰ্ণতাৰ পিছত আদায়ৰ বাবে বিবেচনাত ল'ব পাৰি।

**প্ৰ: যদি মোৰ পলিচি সমাপ্তি তাৰিখৰ পূৰ্বে নবীকৰণ কৰা নহয় তেতিয়া মোক নবীকৰণ কৰিবলৈ দিয়া নহ'ব নেকি?**

উ: পলিচি নবীকৰণ যোগ্য হ'ব যদিহে আপুনি সমাপ্তিৰ পৰা 15 দিনত (যাক গ্ৰে'চ অৱধি বুলি কোৱা হয়) প্ৰিমিয়াম আদায় দিয়ে। যি কি নহ ওঁক, সেই অৱধিৰ বাবে কভাৰেজ প্ৰাপ্তব্য নহয় যাৰ বাবে বীমা কোম্পানীৰ দ্বাৰা কোনো প্ৰমিয়াম প্ৰাপ্তি কৰা হোৱা নাই। যদি গ্ৰে'চ অৱধিৰ ভিতৰত প্ৰিমিয়াম আদায় দিয়া নহয় তেতিয়া পলিচি লেপ্‌চ হ'ব।

প্ৰ: **মই নিজৰ পলিচি নবীকৰণ লাভৰ পৰা বঞ্চিত নোহোৱাকৈ এটা বীমা কোম্পানীৰ পৰা অন্য এটালৈ স্থানান্তৰিত কৰিব পাৰো নেকি ?**

উ: হয়, বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰীয়ে (আইআৰডিএ) ইয়াক জুলাই 2011 ৰ পৰা কাৰ্যকৰী কৰাই এক জাননী জাৰি কৰা হৈছে, যি বীমা কোম্পানীসমূহক পূৰ্বৰ পলিচিত প্ৰাপ্ত পূৰ্ব বিদ্যমান স্থিতিৰ বাবে নবীকৰণৰ ক্ৰেডিটচ নেহেৰুৱাকৈ এটা কোম্পানীৰ পৰা অন্য বীমা কোম্পানী আৰু এটাৰ পৰা অন্য আঁচনিত স্থানান্তৰৰ অনুমতি দিয়াৰ নিৰ্দেশ দিয়ে। যি কি নহওঁক, এই ক্ৰেডিট পূৰ্বৰ পলিচিৰ অধীনত বীমাৰ পৰিমাণ ব'নাচৰ সৈতে পৰ্যন্তে সীমিত থাকিব। সবিশেষৰ বাবে আপুনি বীমা কোম্পানীক সুধিব পাৰে।

প্ৰ: **দাবী দাখিল কৰাৰ পিছত পলিচি কভাৰেজৰ কি হয়?**

উ: দাবী দাখিল কৰা আৰু স্থিৰ কৰাৰ পিছত পলিচি কভাৰেজৰ সেই পৰিমাণৰ পৰা হ্ৰাস কৰা হয় যি স্থিৰ কৰাৰ পিছত আদায় দিয়া হ'ল। উদাহৰণস্বৰূপে : জানুৱাৰীত জানুৱাৰী মাহত এবছৰৰ বাবে টকা 5 লাখৰ বীমাৰাশিৰ আপুনি এক পলিচি আৰম্ভ কৰে। এপ্ৰিলত আপুনি টকা 2 লাখৰ দাবী কৰে। মে' ৰ পৰা ডিচেম্বৰ পৰ্যন্ত আপোনাৰ



বাবে ক্ষতিপূৰণ পাব লগীয়া বীমাৰাশি হ'ব টকা 3 লাখ।

প্ৰ: **'কোনো এটা ৰোগ' কি?**

উ: 'কোনো এটা ৰোগ' মানে ৰোগৰ অবিৰত অৱধি হ'ব, য'ত পলিচিত নিৰ্দিষ্ট কিছু বিশেষ দিনৰ ভিতৰত পুনৰাই উক দিয়া অন্তৰ্ভুক্ত হয়। সচৰাচৰ এইটো 45 দিন হয়।

প্ৰ: **এবছৰৰ ভিতৰত সৰ্বোচ্চ কিমান দাবীৰ অনুমতি দিয়া হয় ?**

উ: পলিচি অৱধিৰ সময়ত যি কোনো সংখ্যাৰ দাবী অনুমতি দিয়া হয় যদিহে কোনো পলিচিত নিৰ্দিষ্ট সীমা নিৰ্ধাৰণ কৰা হোৱা নাই। যি কি নহওঁক, বীমা কৰা পৰিমাণ পলিচিৰ অন্তৰ্গত সৰ্বোচ্চ সীমা হয়।

প্ৰ: **'স্বাস্থ্য পৰীক্ষা' সুবিধা কি?**

উ: কিছুমান স্বাস্থ্য বীমা পলিচি সাধাৰণ স্বাস্থ্য পৰীক্ষাৰ প্ৰতি কিছু বৰ্ষত এবাৰ নিৰ্দিষ্ট ব্যয়ৰ বাবে আদায় দিয়ে। স্বাভাৱিকতে চাৰি বছৰত এইটো এবাৰ প্ৰাপ্তব্য হয়।

প্ৰ: **ফেমিলী ফ্লোটাৰ পলিচিৰ অৰ্থ কি?**

উ: ফেমিলী ফ্লোটাৰ এক একক পলিচি যি আপোনাৰ সমগ্ৰ পৰিয়ালৰ চিকিৎসালয়ত ভৰ্ত্তি ব্যয়ৰ ধ্যান ৰাখে। পলিচিত এক একক বীমা কৰা পৰিমাণ থাকে যাৰ ব্যৱহাৰ কোনো / সকলো বীমাকৃত ব্যক্তিৰ দ্বাৰা যি কোনো অনুপাত বা পৰিমাণত কৰা হয়, যি বীমা কৰা পলিচি পৰিমাণৰ মুঠ সৰ্বোচ্চ সীমাৰ অধীন হয়। সঘনাই ফেমিলী ফ্লোটাৰ আঁচনি ক্ৰয় কৰা বেলেগ ব্যক্তিগত পলিচিসমূহ ক্ৰয় কৰাতকৈ উত্তম হয়। ফেমিলী ফ্লোটাৰ আঁচনি হঠাতে হোৱা ৰোগ, অস্ত্ৰোপচাৰ আৰু দুৰ্ঘটনাৰ সময়ত সকলো চিকিৎসা ব্যয়ৰ ধ্যান ৰাখে।

## আইআৰডিএ ৰ দ্বাৰা নিৰ্ধাৰিত পলিচিধাৰক চাৰ্ভিচিং টাৰ্নএৰাউণ্ড টাইম্চ

| সেৱা | সৰ্বোচ্চ টাৰ্নএৰাউণ্ড টাইম |
|---|---|
| **সাধাৰণ** | |
| প্ৰস্তাৱৰ প্ৰক্ৰিয়া আৰু সিদ্ধান্তৰ জাননী দিয়া য'ত অন্তৰ্ভুক্ত হয় আৱশ্যকতাসমূহ / পলিচি প্ৰচাৰ / বাতিলকৰণ | 15 দিন |
| প্ৰস্তাৱৰ প্ৰতিলিপি প্ৰাপ্ত হোৱা | 30 দিন |
| পলিচি প্ৰচাৰিত কৰাৰ পিছত সেৱাৰ নিবেদন যি ত্ৰুটিসমূহ / প্ৰস্তাৱ ডিপ'জিটৰ ঘূৰোৱা আৰু অনা-দাবী সম্বন্ধীয় সেৱা নিবেদনৰ লগত সম্পৰ্ক আছে | 10 দিন |
| **জীৱন বীমা** | |
| সমৰ্পণ মূল্য / বছৰেকীয়া বানচ / পেঞ্চন প্ৰক্ৰিয়া | 10 দিন |
| পৰিপক্বতা দাবী / জীৱিতত লাভ / দণ্ড স্বৰূপ সুতত আদায় নিদিয়া | 15 দিন |
| দাবী দাখিল কৰাৰ পিছত দাবীৰ আৱশ্যকতাসমূহ জনোৱা | 15 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ অবিহনে মৃত্যু দাবী মীমাংসা কৰা | 30 দিন |
| পৰীক্ষাৰ আৱশ্যকতাৰ সৈতে মৃত্যু দাবীৰ মীমাংসা / প্ৰত্যাখ্যান | 6 মাহ |
| **সাধাৰণ বীমা** | |
| নিৰীক্ষণৰ প্ৰতিবেদন জমা কৰা | 30 দিন |
| বীমাকৰ্তাৰ দ্বাৰা উপৰুৱা ভাগৰ প্ৰতিবেদন খোজা | 15 দিন |
| প্ৰথম / উপৰুৱা ভাগৰ নিৰীক্ষণ প্ৰতিবেদন পোৱাৰ পিছত দাবীৰ মীমাংসা / নাকচ | 30 দিন |
| **অভিযোগ** | |
| অভিযোগ পঞ্জীয়ন কৰা | 3 দিন |
| অভিযোগৰ মীমাংসা | 15 দিন |



## 5. যদি আপোনাৰ কোনো অভিযোগ আছে :

বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী (আইআৰডিএ) ৰ উপভোক্তা বিষয় বিভাগে ইন্টিগ্ৰেটেড গ্ৰীভেঞ্চ মেনেজমেন্ট চিষ্টেম (আইজিএমএচ) আৰম্ভ কৰিছে যি অভিযোগৰ পঞ্জীয়ন তথা নিৰীক্ষণৰ বাবে এক অনলাইন পদ্ধতি। আপুনি সৰ্বপ্ৰথমে আপোনাৰ বীমা কোম্পানীত অভিযোগ পঞ্জীয়ন কৰা উচিত আৰু যদি আপুনি কোম্পানীৰ দ্বাৰা ইয়াৰ মীমাংসাত সন্তুষ্ট নহয় তেতিয়া আপুনি www.igms.irda.gov.in ত গৈ আইজিএমএচ ৰ জড়িয়তে ইয়াক আইআৰডিএ ৰ ওচৰত পঠিয়াব পাৰে। যদি আপুনি বীমাকৰ্তাৰ অভিযোগ প্ৰক্ৰিয়ালৈকে পোনপটিয়াকৈ যাব নোৱাৰে তেন্তে আইজিএমএচ বীমাকৰ্তাৰ ওচৰত আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাবলৈ আপোনাক এটা পথ প্ৰদান কৰা হয়।

আইজিএমএচ (উদাহৰণ স্বৰূপে ৱেব) ৰ জড়িয়তে আপোনাৰ অভিযোগ পঞ্জীয়ন কৰাৰ উপৰিও আপোনাৰ ওচৰত অভিযোগ পঞ্জীকৰণৰ বাবে বহুতো মাধ্যম (চেনেল্চ) আছে। ইমেইল (complaints@irda.gov.in ) ৰ জড়িয়তে, পত্ৰ (আপোনাৰ পত্ৰ গ্ৰাহক বিষয় বিভাগ, বীমা নিয়ামক আৰু বিকাশ প্ৰাধিকাৰী, 3য় মহলা, পৰিশ্ৰম ভৱন, বশীৰ বাগ, হায়দৰাবাদ বুলি সম্বোধন কৰক) ৰ জড়িয়তে বা আইআৰডিএ কল চেন্টাৰক **ট'ল ফ্ৰি নং 155255** ত ফোন কৰক যাৰ জড়িয়তে আইআৰডিএ বীমা কোম্পানীসমূহৰ বিপক্ষে আপোনাৰ অভিযোগ বিনামূল্যে দাখিল কৰিব আৰু লগতে তাৰ স্থিতিৰ ওপৰত দৃষ্টি ৰখাত সহায় কৰিব। ফোনৰ আধাৰত অভিযোগ প্ৰপএ পূৰাই কল চেন্টাৰে আপোনাক সহায় কৰে তথা য'তেই

আৱশ্যক হয় এইটো পোনেপোনে বীমা কোম্পানীৰ ওচৰত অভিযোগ দাখিল কৰাত সহায়ক হয়। বীমা কোম্পানীৰ ঠিকণা, ফোন নম্বৰ, ৱেবচাইট বিৱৰণ, যোগাযোগ নম্বৰ, ইমেইল আইডি ইত্যাদিৰ সৈতে সমন্ধীয় জাননী আপোনাক দিয়া হয়। আইআৰডিএ কল চেন্টাৰ সম্ভাব্য গ্ৰাহক আৰু পলিচিধাৰকৰ বাবে ব্যাপক টেলি-কাৰ্য্যক্ষমতাৰ সৈতে এক প্ৰকৃত বৈকল্পিক মাধ্যম (চেনেল) প্ৰদান কৰা হয় আৰু সোমবাৰৰ পৰা শনিবাৰ, পুৱা 8 টাৰ পৰা নিশা 8 টালৈ 12 ঘন্টা x 6 দিনলৈকে হিন্দী, ইংৰাজী আৰু বিভিন্ন ভাৰতীয় ভাষাত কাৰ্য্যকৰী হৈ থাকে। যেতিয়া আইআৰডিএ ৰ ওচৰত কোনো অভিযোগ পঞ্জীয়ন কৰা হয় তেতিয়া ই সেই বীমা কোম্পানীত সুচল কৰি সমাধান কৰায়। কোম্পানীক অভিযোগৰ মীমাংসা কৰাৰ বাবে 15 দিন দিয়া হয়। যদি আৱশ্যক হয়, আইআৰডিএ পৰীক্ষা অনুসন্ধান আৰু সোধপোছ কৰে। ইয়াৰ বাহিৰে য'ত প্ৰযোজ্য হয়, আইআৰডিএ ৰিড্ৰেছেল অৱ পাব্লিক গ্ৰীভেঞ্চ ৰুল্‌চ, 1998 ৰ চৰ্ত অনুসৰি ইঞ্চিওৰেন্স অম্বাড্‌চমেনক সম্পৰ্ক কৰাৰ পৰামৰ্শ অভিযোগকাৰীক দিয়া হয়।



**দাবী পৰিত্যাগ :**

এই হাতপুথি কেৱল আপোনাক সাধাৰণ জাননী প্ৰদান কৰাৰ বাবে আৰু সম্পূৰ্ণ নহয়। ই এক শিক্ষা উপক্ৰম তথা আপোনাক কোনো আইনগত পৰামৰ্শ নিদিয়ে।